**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-03-2025
**Time :** 19-10  Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১।　ৰাজ্যসভাত আজি বিত্তীয় বিধেয়ক-২০২৫ আৰু বিনিয়োগ বিধেয়ক-২০২৫ৰ বিবেচনা আৰু পুনৰ প্ৰৱৰ্তন সন্দৰ্ভত আলোচনা অব্যাহত আছে।

২।　লোকসভাত আন্তঃ প্ৰব্ৰজন আৰু বিদেশী বিধেয়ক - ২০২৫ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে।

৩।　কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে যাত্ৰীৰ আহ-জাহৰ বাবে চহকাৰ টেক্সি নামৰ এটা বাহন সেৱা মুকলি কৰিব বুলি ঘোষণা কৰিছে।

৪।　আজি সমগ্ৰ পৃথিৱীতে বিশ্ব থিয়েটাৰ দিৱস উদযাপন কৰা হৈছে।

***আৰু***

৫।　আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাজ্যসভাত আজি বিত্তীয় বিধেয়ক-২০২৫ আৰু বিনিয়োগ বিধেয়ক-২০২৫ৰ বিবেচনা আৰু পুনৰ প্ৰৱৰ্তন সন্দৰ্ভত আলোচনা অব্যাহত আছে। বিত্তীয় বিধেয়কত কেন্দ্ৰীয় চৰকাৰৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বিত্তীয় প্ৰস্তাৱসমূহ কাৰ্য্যকৰী কৰাৰ পোষকতা কৰা হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে এই বিধেয়কখন উত্থাপন কৰিছে। ইতিমধ্যে লোকসভাত এই বিধেয়কখন গৃহীত হৈছে। আলোচনাত ভাগ লৈ কংগ্ৰেছৰ পি চিদাম্বৰমে কয়, যে মুদ্ৰাস্ফীতিৰ ফলত দেশত খাদ্য, শিক্ষা, স্বাস্থ্য সেৱাৰ ব্যয় বৃদ্ধিৰ লগতে নিবনুৱাৰ হাৰ বৃদ্ধি পাইছে। তেওঁ কয়, যে ভাৰতত নিবনুৱা সমস্যা, স্থিৰ মজুৰি, ক্ৰয়ৰ পৰিমাণ হ্ৰাস পোৱাৰ লগতে ভাৰতীয় টকাৰ মূল্য অৱনমিত হৈছে। তেওঁ লগতে ঘৰৰ ঋণৰ পৰিমাণ বৃদ্ধি আৰু বিত্তীয় সঞ্চয়ৰ পৰিমাণ হ্ৰাস পাইছে বুলি মন্তব্য কৰিছে। চৰকাৰে শিক্ষা, স্বাস্থ্য আৰু আন খণ্ডত ব্যয়ৰ পৰিমাণ চকুত লগাকৈ  হ্ৰাস কৰিছে বুলি শ্ৰীচিদাম্বৰমে অভিযোগ উত্থাপন কৰিছে। বিজেপিৰ আৰ পি এন সিঙে বিগত দশকত দেশৰ প্ৰতিটো ক্ষেত্ৰতে উন্নয়ন দেখিবলৈ পোৱা গৈছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ চৰকাৰে দেশৰ কৃষক আৰু মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰীসিঙে লগতে কয়,

যে সামগ্ৰী আৰু সেৱা কৰে দেশক ব্যাপক পৰিমাণে লাভান্বিত কৰিছে। তৃণমূল কংগ্ৰেছৰ সাগৰিকা ঘোষে ব্যক্তিগত ক্ৰয়ৰ পৰিমাণ পুনৰ ঠন ধৰি উঠা নাই আৰু দৰিদ্ৰসকলৰ ক্ৰয়ৰ ক্ষমতা হ্ৰাস আৰু ব্যক্তিগত বিনিয়োগ হ্ৰাস পাইছে বুলি অভিযোগ উত্থাপন কৰিছে।

আম আদমী পাৰ্টিৰ ৰাঘৱ চাদ্দাই এইবুলি অভিযোগ উত্থাপন কৰে যে, আমাৰ দেশে উপ চাহাৰাৰ দেশসমূহৰ লেখিয়াকৈ সেৱা লাভ কৰি আছে যদিও বিকশিত দেশৰ লেখিয়াকৈ কৰ প্ৰদান কৰি থাকিবলগা হৈছে। এন চি পিৰ প্ৰফুল পেটেলে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে দেশৰ লাখ লাখ যুৱ প্ৰজন্মক কাৰিকৰী প্ৰশিক্ষণ দিবলৈ সক্ষম হৈছে। তেওঁ কয়, যে বৰ্তমান সময়ত গ্ৰাম্যাঞ্চলৰ লোকসকলৰ নিজা বাহন, ঘৰুৱা সা-সৰঞ্জাম আৰু পকী ঘৰ আছে

০০০০০

লোকসভাত আন্তঃ প্ৰব্ৰজন আৰু বিদেশী বিধেয়ক - ২০২৫ সন্দৰ্ভত আলোচনা অব্যাহত আছে। আন্তঃ প্ৰব্ৰজন আইনৰ আধুনিকীকৰণ আৰু কেন্দ্ৰীয় চৰকাৰক পাৰপত্ৰ, ভ্ৰমণৰ নথিপত্ৰ, ভিছা আৰু পঞ্জীয়নৰ ক্ষেত্ৰত বিশেষ ক্ষমতা আৰোপৰ সুবিধা কৰাৰ বাবে এই বিধেয়কখন অনা হৈছে।

আলোচনাত ভাগ লৈ কংগ্ৰেছৰ মণীষ তিৱাৰীয়ে কয়, যে এই বিধেয়কখন সংবিধান বিৰোধী। তেওঁ কয়, যে আন্তঃ প্ৰব্ৰজনৰ বিষয়াসকলক ক্ষমতা অৰ্পণৰ ফলত জনসাধাৰণ হাৰাশাস্তিৰ সন্মুখীন হ'ব। শ্ৰীতিৱাৰীয়ে এই বিধেয়কৰ সুৰক্ষাৰ সুবিধাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ এই বিধেয়কখন অধিক পৰ্য্যালোচনাৰ বাবে যুটীয়া সংসদীয় কমিটিলৈ প্ৰেৰণৰ বাবে দাবী উত্থাপন কৰে। বিজেপিৰ অপৰাজিতা সাৰংগীয়ে ভাৰতীয় সংস্কৃতিৰ কথা উল্লেখ কৰি কয়, যে ভাৰতে সকলো অতিথিকে সন্মান কৰে। তেওঁ লগতে দেশৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে সীমান্ত অঞ্চলৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীমতী সাৰংগীয়ে কয়, যে বিগত বৰ্ষৰ জানুৱাৰীৰ পৰা চলিত বৰ্ষৰ জানুৱাৰীলৈকে ভাৰত-বাংলাদেশ সীমান্তৰে দুহেজাৰ ছশ বাংলাদেশীয়ে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিছে। শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ অনিল দেশায়ে কয়, যে এই বিধেয়কে আমাৰ দেশৰ সৈতে আন দেশৰ দ্বিপাক্ষিক সম্বন্ধ আৰু বৈদেশিক সম্বন্ধত যাতে কোনো বিৰূপ প্ৰভাৱ নেপেলায়, তাক সুনিশ্চিত কৰিব লাগে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে অ'লা আৰু উবেৰৰ পাছত এটা সমবায়ৰ পদক্ষেপেৰে যাত্ৰীৰ আহ-জাহৰ বাবে চহকাৰ টেক্সি নামৰ এটা বাহন সেৱা মুকলি কৰিব বুলি ঘোষণা কৰিছে। লোকসভাত বিতৰ্কত অংশ লৈ শ্ৰীশ্বাহে কয়, যে চহকাৰ সে সমৃদ্ধিৰ পদক্ষেপৰ অংশ হিচাপে এই সেৱা আৰম্ভ কৰা হ'ব। তেওঁ অনাগত কেইটামান মাহৰ ভিতৰত আৰম্ভ কৰিবলগা এটা ব্যাপক পৰিসৰৰ এই সমবায় খণ্ডৰ টেক্সি সেৱাত দুচকীয়া, চাৰিচকীয়া, ৰিক্সা আদি বাহনৰ পঞ্জীয়ন কৰা হ'ব আৰু এই সেৱাৰ লাভসমূহ প্ৰত্যক্ষভাৱে চালকসকলে লাভ কৰিব বুলি অৱগত কৰে। শ্ৰীশ্বাহে চহকাৰ সে সমৃদ্ধি কেৱল এটা শ্লোগান নহয় বুলি প্ৰকাশ কৰি কয়, যে সমবায় মন্ত্ৰালয়ে বিগত চাৰে ৩ বছৰত ইয়াক বাস্তৱায়িত কৰাৰ বাবে দিনে নিশাই প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ লগতে কয়, যে অচিৰেই এটা সমবায় বীমা কোম্পানী প্ৰতিষ্ঠা কৰা হ'ব আৰু দেশৰ সমবায় ব্যৱস্থাৰ অধীনত ইয়াক পৰিচালনা কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি হুৰিয়তৰ অনুমোদনপ্ৰাপ্ত দুটা বিচ্ছিন্নতাবাদী গোট মূল সুঁতিলৈ ঘূৰি আহিছে বুলি প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰৰ প্ৰসংগ উত্থাপনেৰে তেওঁ কয়, যে তেহৰিকী ইস্তেকলাল আৰু তেহৰিক-ই-ইস্তিকামত নামৰ দুটা বিচ্ছিন্নতাবাদী গোটে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন বিকশিত ভাৰতৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰিছে। গৃহ মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত জানিবলৈ দিছে যে, বিচ্ছিন্নতাবাদীসকলে তেওঁলোকৰ কূটাঘাতমূলক কাম-কাজৰ পৰা আঁতৰি আহিছে আৰু ইয়াৰ ফলত জম্মু-কাশ্মীৰত একতা প্ৰতিধ্বনিত হৈছে।

ooooo

আজি সমগ্ৰ পৃথিৱীতে বিশ্ব থিয়েটাৰ উদযাপন কৰা হৈছে। থিয়েটাৰ কলা আৰু ইয়াৰ সৈতে জড়িত কুশলীসকলক তথা সাংস্কৃতিক আদান-প্ৰদান আৰু ভাৱ বিনিময়ৰ ক্ষেত্ৰত থিয়েটাৰৰ ভূমিকাক  সন্মান জনোৱাৰ বাবে প্ৰতি বছৰে ২৭ মাৰ্চৰ দিনটো বিশ্ব থিয়েটাৰ দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ প্ৰতিপাদ্য বিষয় হৈছে - থিয়েটাৰ আৰু শান্তিৰ সংস্কৃতি। ১৯৬১ চনত আন্তঃৰাষ্ট্ৰীয় থিয়েটাৰ প্ৰতিষ্ঠানে বিশ্ব থিয়েটাৰ দিৱস আৰম্ভ কৰিছিল। থিয়েটাৰ হৈছে - মানৱ ইতিহাসৰ পুৰণি কলাৰ ৰূপ। এই দিৱসত থিয়েটাৰ কলা কেৱল মনোৰঞ্জনৰ বাবেই উদযাপন কৰা নহয়, বৰং মনোৰঞ্জনৰ প্ৰয়োজনীয়তা আৰু সমাজত ইতিবাচক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবেও উদযাপন কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্ৰীশ্ৰী হৰিচান্দ ঠাকুৰৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জনাইছে। সমতা, ন্যায় আৰু কৰুণাৰ মাজেৰে প্ৰান্তীয় লোকসকলক উচ্চ স্তৰলৈ লৈ যোৱাৰ বাবে শ্ৰী শ্ৰী ঠাকুৰৰ প্ৰচেষ্টাক আগুৱাই লৈ যোৱা মটুৱা ধৰ্মমেলা-২০২৫লৈ প্ৰধানমন্ত্ৰী মোদীয়ে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শ্ৰীশ্ৰী ঠাকুৰে সেৱা আৰু আধ্যাত্মিকতাৰ মাজেৰে অসংখ্য মানুহৰ হৃদয়ত বাস কৰিছে। শ্ৰীমোদীয়ে আৰু কয়, যে মটুৱা ধৰ্ম মহামেলা-২০২৫এ মটুৱা জনগোষ্ঠীৰ চহকী আৰু গৌৰৱময় সংস্কৃতিক প্ৰতিফলিত কৰিছে। মটুৱা সম্প্ৰদায়ৰ কল্যাণৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ লোৱাৰ লগতে অনাগত দিনতো সম্প্ৰদায়টোৰ লোকসকলৰ কল্যাণৰ বাবে বিৰতিহীনভাৱে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কেন্দ্ৰীয় চৰকাৰ কৃষকৰ বন্ধু আৰু কৃষকৰ কল্যাণৰ হকে অহৰহ কাম কৰি আহিছে বুলি মন্তব্য কৰিছে। তেওঁ কয়, যে এই বিবেচনাৰে কৃষকৰ উৎপাদিত সামগ্ৰীসমূহ ন্যূনতম সমৰ্থন মূল্যত ক্ৰয় কৰা হৈছে। শ্ৰীচৌহানে কয়, যে ৰাজ্য চৰকাৰসমূহে ন্যূনতম সমৰ্থন মূল্যৰ তলত কৃষকৰ উৎপাদিত সামগ্ৰী ক্ৰয় নকৰাৰ সিদ্ধান্ত সুনিশ্চিত কৰা উচিত। কৃষি মন্ত্ৰী শ্ৰীচৌহানে কয়, যে অন্ধ্ৰ প্ৰদেশ, গুজৰাট, কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু তেলেংগানাত ন্যূনতম সমৰ্থন মূল্যত সামগ্ৰী ক্ৰয় কৰাৰ প্ৰক্ৰিয়া চলি আছে। তেওঁ কয়, যে এই ৰাজ্যকেইখনৰ পৰা যোৱা ২৫ মাৰ্চত মুঠ ২ লাখ ৪৬ হাজাৰ মেট্ৰিক টন মাহজাতীয় শস্য ক্ৰয় কৰা হৈছে, যাৰ জৰিয়তে ১ লাখ ৭১ হাজাৰতকৈও অধিক কৃষক উপকৃত হৈছে।

ooooo

নেপালত এই বৰ্ষৰ বসন্তকালীন পৰ্বতাৰোহণৰ বাবে অনুমতি দিয়া হৈছে। নেপালৰ পৰ্য্যটন বিভাগৰ সূত্ৰই জনোৱা মতে, মুঠ ৫৮ গৰাকী লোকে এইবাৰ পৰ্বতাৰোহণৰ বাবে অনুমতি লাভ কৰিছে। ইয়াৰে ১৮ গৰাকী মহিলা আৰু ৪০ গৰাকী পুৰুষ। মুঠ ৮ টা পৰ্বতাৰোহণ দলত অন্তৰ্ভুক্ত হোৱা এই পৰ্বতাৰোহীসকলে

অন্নপূৰ্ণা ১ৰ লগতে  বিভিন্ন শৃংগ আৰোহণ কৰিবলৈ অনুমতি লাভ কৰিছে। নেপালৰ লগতে মুঠ ২৪ খন দেশৰ পৰ্বতাৰোহীয়ে এই বছৰৰ পৰ্বতাৰোহণৰ বাবে অনুমতি লাভ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন খন্তেক পাছতে আৰম্ভ হ'ব। লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

দিল্লীত অনুষ্ঠিত খেলো ইণ্ডিয়া পেৰা গেমছৰ আজি সামৰণি পৰিছে। সামৰণিৰ দিনটোত খেলুৱৈসকলে তেওঁলোকৰ উন্নত প্ৰদৰ্শন দাঙি ধৰিছে। টেবুল টেনিছৰ ফাইনেলৰ পুৰুষৰ ক্লাছ ৬ কেটেগ'ৰীত য়েছডি আছপি ভামগাৰাই সোণৰ পদক আৰু বিকাশ ঠাকুৰে ৰূপৰ পদক লাভ কৰিছে। মহিলাৰ ক্লাছ ছিক্স কেটেগ'ৰীত ভাৰিকা কুকাডিয়াই সোণৰ পদক আৰু জামানী নুৰজাহান নুৰালিয়ে ৰূপৰ পদক অৰ্জন কৰে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত ভাৰিকা কুকাডিয়াই ভাৰতীয় খেল প্ৰাধিকৰণৰ অধীনত প্ৰশিক্ষণ লোৱা বুলি উল্লেখ কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত দেশক প্ৰতিনিধিত্ব কৰা বুলি গৌৰৱেৰে কয়।

০০০০০

সমাপ্ত